بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**বদৰৰ যুদ্ধ সংক্ৰান্তে আঁহজৰত (ছাঃ)ৰ জীৱনী আৰু ঐতিহাসিক ঘটনা সমূহৰ ঈমান উদ্দীপক বৰ্ণনা। মধ্য প্ৰাশ্চ্যৰ প্ৰাণনাশী যুদ্ধ পৰিস্থিতিৰ অৱসান আৰু শান্তিৰ অৰ্থে দোৱাৰ তেহেৰিক**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০ অক্টোবৰ ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ۔ الرَّحْمٰنِ الرَّحِيْمِ ۔ مٰلِكِ يَوْمِ الدِّيْنِ ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজি আকৌ বদৰৰ যুদ্ধৰ পিছতেই সংঘটিত হোৱা কিছুমান ঘটনা যিবোৰ আঁহজৰত (ছাঃ)ৰ জীৱনৰ সৈতে সম্পৰ্কিত সেই সম্পৰ্কে বৰ্ণনা কৰা হ'ব।

আঁহজৰত (ছাঃ)ৰ জোৱাইয়েক আবুল আচে ইছলাম গ্ৰহণ কৰা সম্পৰ্কে ইতিহাসত উল্লেখ আছে যে আঁহজৰত (ছাঃ)য়ে জামাদিউল আওৱাল চন ৬ হিজৰীত নঈদ বিন হাৰছা (ৰাঃ)ৰ নেতৃত্বত চাহাবা সকলৰ ৭০ জনীয়া এটা দল আমেচ নামক ঠাইলৈ পঠিয়াই দিয়ে। আমেচ ঠাইখন মদিনাৰ পৰা প্ৰায় চাৰি দিনৰ বাট দূৰত্বত অৱস্থিত। এই দিনবোৰৰ যাত্ৰা সম্পৰ্কে যেতিয়া উল্লেখ কৰা হয় তেতিয়া ইতিহাসবিদ সকলে এয়া কয় যে এদিনত প্ৰায় বাৰ মাইল মান অতিক্ৰম কৰিব পৰা যায়। এই হিচাপত আমেচ ঠাইখন মদিনাৰ পৰা ৪৮ মাইল মান দূৰত অৱস্থিত। এই অভিযান সম্পৰ্কে কিছুমান বৰ্ণনা এনেদৰে আছে যে আঁহজৰত (ছাঃ)য়ে এয়া খবৰ পাইছিল যে কুৰাইছে মক্কাৰ এটা কাফেলা অৰ্থাৎ বনিক দল ছিৰিয়াৰ পৰা আহি আছে। সেই বনিক দলটোৰে লৈ অনা বস্তু-বাহানীৰ উদ্দেশ্য আছিল মুছলমান সকলৰ ওপৰত আক্ৰমণ কৰা আৰু যুদ্ধ সংঘটিত কৰা। যিয়েই নহওঁক চাহাবা সকলৰ এই দলটোৱে গৈ সেই কাফেলাক বাধা দি সিহঁতৰ সকলো বস্তু-বাহানী বাজেয়াপ্ত কৰি লয় আৰু কিছুমান লোকক গ্ৰেপ্তাৰ কৰি লয় যিসকলৰ মাজত আবুল আচ (ৰাঃ)চামিল আছিল।

ছিৰাত খাতামান নাবিঈন পুস্তকত হজৰত মিৰ্জা বশিৰ আহমদ চাহাবে লিখিছে যে আমেচ অভিযানত বন্দী কৰি লোৱা কয়েদী সকলৰ মাজত আঁহজৰত (ছাঃ)ৰ জোৱাই আবুল আচেও আছিল। আবুল আচ হজৰত খাদিজা (ৰাঃ)ৰ নিকট আত্মীয় লোক আছিল। গ্ৰেপ্তাৰ হোৱা সময়তও তেওঁ মুশৰিক আছিল। আবুল আচে কেনেবাকৈ হজৰত জয়নব (ৰাঃ)ক নিজৰ এই বন্দী হোৱাৰ খবৰ মক্কালৈ পঠিয়াই দিছিল। যেতিয়া আঁহজৰত (ছাঃ) আৰু

চাহাবা সকলে ফজৰৰ নামাজ পঢ়ি আছিল তেতিয়া হজৰত জয়নব (ৰাঃ)য়ে উচ্চস্বৰে কৈছিল যে হে মুছলমান সকল! মই আবুল আচক আশ্রয় প্রদান কৰিছোঁ। আঁহজৰত (ছাঃ)য়ে নামাজৰ পিছত চাহাবা সকলক কৈছিল যে জয়নব (ৰাঃ)য়ে যি কৈছে তোমালোকে নিশ্চয় শুনা পাইছা। আল্লাহ উত্তম জানে মই একো নাজানো। মোমিন সকলৰ জামাতৰ ফালৰ পৰা কোনোবায় কোনো কাফিৰক আশ্রয় দিলে তাক সন্মান কৰাটো বাধ্যতামূলক। ইয়াৰ পিছত আঁহজৰত (ছাঃ)য়ে জয়নব (ৰাঃ)ক কয় যে যাক তুমি আশ্রয় প্রদান কৰিছা তাক আমিও আশ্রয় দিলো আৰু আবুল আচৰ ধনমাল ওভতাই দিয়ে আৰু জয়নব (ৰাঃ)ক আবুল আচক অতিথি হিচাপে আলপৈচান ধৰিবলৈ নির্দেশ দিয়ে। কিন্তু তাইক আবুল আচৰ সৈতে অকলশৰীয়াকৈ লগ ধৰিবলৈ মানা কৰে। কিছুদিন পিছতে আবুল আছে মক্কাত ওভতি যায় আৰু নিজৰ ব্যৱসায়ৰ সকলো লেন-দেন সমাধা কৰি আঁহজৰত (ছাঃ)ৰ ওচৰলৈ ঘূৰি আহে আৰু ইছলাম গ্রহণ কৰে। তেতিয়া আঁহজৰত (ছাঃ)য়ে হজৰত জয়নব (ৰাঃ)ক আৰু নতুনকৈ বিয়া নাপাতিয়ে দুয়োকে মিলি সংসাৰ পাতিবলৈ দিয়ে।

ইয়াৰ দ্বাৰা ইয়াতে এটা ফতোৱা জাৰি হয় যে যদি কোনো তিৰোতাই নিজৰ গিৰিয়েকক কাফিৰ হোৱা হেতুকে পৃথক হৈ থাকে পিছত গিৰিয়েকে ঈমান স্থাপন কৰিলে দ্বিতীয়বাৰ আৰু বিয়া পতাৰ প্রয়োজন নহয়। হজৰত জয়নব (ৰাঃ) ৰ নিজৰ গিৰিয়েকে ইছলাম গ্রহণ কৰাৰ পিছত আৰু তাই বেছি দিন জীয়াই থকা নাছিল আৰু আঠ হিজৰী চনত তাইৰ মৃত্যু হয়। হজৰত উম্মে ইয়ামন (ৰাঃ),হজৰত ছওদা (ৰাঃ),হজৰত উম্মে ছলমা (ৰাঃ) আৰু হজৰত উম্মে আতিয়া (ৰাঃ) এই চাৰিজনীয়ে আঁহজৰত (ছাঃ)ৰ নির্দেশ অনুসৰি হজৰত জয়নব (ৰাঃ)ৰ দেহ মোবাৰক গোচল কৰোৱাইছিল আৰু আঁহজৰত (ছাঃ)য়ে নামাজে জানাজা পঢ়াইছিল আৰু নিজে কবৰত নামি তাইক কবৰস্থ কৰে। ইয়াৰ পিছত আবুল আচেও বেছিদিন জীয়াই থকা নাছিল আৰু চন বাৰ হিজৰীত মৃত্যু বৰণ কৰে।

চন দুই হিজৰীৰ জিলহজ্ব মাহত ছবিকৰ যুদ্ধ সংঘটিত হৈছিল। এই যুদ্ধৰ কাৰণ আছিল যেতিয়া কাফিৰে মক্কা পৰাস্ত হৈ ওভতি আহে তেতিয়া আবু ছুফিয়ানে শপত খাই নিজৰ শৰীৰত তেল হানি ল'বলৈ এৰি দিয়ে আৰু প্রতিজ্ঞা কৰে যে এই পৰাজয়ৰ পুতক তুলিব নোৱাৰালৈকে গোচল নকৰে। এটা ৰিৱায়ত অনুযায়ী আবু ছুফিয়ানে দুশ আৰোহী বাহিনী লগত লৈ নিজৰ প্রতিজ্ঞা পুৰণাৰ্থে যাত্রা কৰে আৰু মদিনাৰ ওচৰতে অৱস্থিত থকা কবিলা বনু নজিৰৰ ওচৰত গৈ সহায় বিচাৰে। কিন্তু বনু নজিৰৰ চৰদাৰ হুই বনি আখতাবে আবু ছুফিয়ানক সহায় কৰবিলৈ অস্বীকাৰ কৰে। ইয়াৰ পিছত আবু ছুফিয়ানে ছালম বিন মশকমৰ ওচৰলৈ যায়। মশকমে মুছলমান সকলৰ কিছু গোপনীয় কথা আবু ছুফিয়ানক জনায় আৰু ৰছুলুল্লাহ (ছাঃ)ৰ প্রত্যহ কৰণীয় কিছুমান কামৰ বিৱৰণ দিয়ে। আবু ছুফিয়ানে কুৰাইছৰ কেইজনমান লোকক মদিনাৰ পৰা তিনি মাইল দূৰতত অৱস্থিত উৰেজ নামক ঠাইলৈ পঠিয়াই দিয়ে। তাতে গৈ এওঁলোকে খেজুৰৰ বাগান জ্বলাই দিয়ে আৰু এজন মুছলমান আনছাৰীক হত্যা কৰে। আবু ছুফিয়ানে এই কাৰ্যক নিজৰ প্রতিজ্ঞা পূৰণ হোৱা বুলি ধৰি লৈ মক্কাৰ ফালে বাহিনী সহ ওভতি যাত্রা কৰে। যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে এই ঘটনাৰ খবৰ পায় তেতিয়া দুশ চাহাবাৰ সৈতে আবু ছুফিয়ানৰ পিছানুসৰণ কৰিবলৈ ওলাই পৰে আৰু গৈ গৈ কৰকৰাতুল কদুৰ গৈ পায়। আবু ছুফিয়ানে সৈন্য বাহিনী লৈ পলাই সাৰোতে গমেৰে বনোৱা সান্দ গুৰিৰ মোনাবোৰ বাটত দলিয়াই দলিয়াই পেলাই থৈ যায় আৰু মুছলমান সকলে সেইবোৰ বুটলি লৈ লৈ পিছে পিছে গৈছিল সেয়ে এই অভিযানৰ নাম ছবেকৰ যুদ্ধ বুলি ৰখা হৈছে ; অর্থাৎ সান্দগুৰিৰ যুদ্ধ। এনেদৰে আবু ছুফিয়ান আৰু তাৰ লগৰীয়া সকলে পলাই গৈছিল আৰু ৰছুলুল্লাহ (ছাঃ)য়ে মদিনালৈ ওভতি আহে আৰু চাহাবা সকলে প্রশ্ন কৰাত কয় যে এয়াও এটা যুদ্ধ।

ছিৰাত খাতামান নাবিঈন পুস্তকত হজৰত মির্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে প্রথম ঈদুল আযহা সম্পর্কে লিখিছে যে সেই বছৰেই জিলহজ্ব মাহত দ্বিতীয় ইছলামী ঈদ অর্থাৎ ঈদুল আযহাৰ আৰম্ভণী হয় যি জিলহজ্ব মাহৰ

১০ তাৰিখত গোটেই মুছলিম বিশ্বত অনুষ্ঠিত হৈ থাকে। এই ঈদত সামৰ্থ্য অনুযায়ী প্ৰত্যেকজন মুছলমানৰ বাবে ওৱাজেব হ'ল যে কোনো হালাল জন্তু কোৰবাণী কৰি তাৰ মাংস নিজৰ আত্মীয় স্বজন,বন্ধু-বান্ধৱ,প্ৰতিবেশী আৰু বেলেগ লোককও বিৰতণ কৰি দিয়া আৰু তাৰে কিছু অংশ নিজে খোৱা। গতিকে ঈদুল আযহাৰ দিনা আৰু তাৰ পিছৰ দুদিন ইছলামী বিশ্বত লাখ লাখ জন্তু ফি ছাবিলিল্লাহ কোৰবাণী কৰা হৈ থাকে আৰু হজৰত ইব্ৰাহিম (আঃ), হজৰত ইছমাইল (আঃ) আৰু হাজেৰা (ৰাঃ)ৰ মহান কোৰবাণীক স্মৃতিপটত জীয়াই ৰখা হয়, যাৰ সৰ্বোত্তম উদাহৰণ আঁহজৰত (ছাঃ)ৰ জীৱন আছিল। গতিকে প্ৰত্যেকজন মুছলমানে সতৰ্ক থকা উচিত যে তেওঁলোকে যেন নিজৰ মওলা কাদিৰে খোদাৰ বাটত নিজৰ জান মাল আৰু নিজৰ প্ৰত্যেক মৰমৰ বস্তুক কোৰবাণী কৰিবলৈ প্ৰস্তুত থাকে। এই ঈদও ঈদুল ফিতৰৰ দৰে এটা মহান ইছলামী ইবাদত হজ্ব সম্পূৰ্ণাৰ্থে উদযাপন কৰা হয়।

হজৰত ফাতিমা (ৰাঃ)ৰ বিয়া চন দুই হিজৰীত সম্পন্ন হৈছিল। হজৰত আনছ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ) দুয়োজনেই হজৰত ফাতিমা (ৰাঃ)ক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিছিল। কিন্তু ৰছুলে কৰিম (ছাঃ)য়ে তাৰ কোনো উত্তৰ দিয়া নাছিল। হজৰত আলী (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মই আঁহজৰত (ছাঃ)ৰ ওচৰত গৈ নিবেদন কৰিছিলোঁ যে আপুনি ফাতিমা (ৰাঃ)ৰ বিয়া মোৰ সৈতে পাতি দিবনে ? তেতিয়া আঁহজৰত (ছাঃ)য়ে হজৰত আলী (ৰাঃ)ক সুধিছিল তোমাৰ ওচৰত হক মোহৰ দিবলৈ কিবা আছেনে ? হজৰত আলী (ৰাঃ)য়ে কৈছিল মোৰ ওচৰত ঘোঁৰা আৰু এটা কবচ আছে। তেখেত (ছাঃ)য়ে কৈছিল যে ঘোঁৰা অতি প্ৰয়োজনীয়, কবচটো বিক্ৰি কৰি দিয়া। সেয়া মই ৪৮০ দেৰহামত মোৰ কবচটো বিক্ৰি কৰি মোহৰাণাৰ টকা জমা কৰিছিলোঁ। আঁহজৰত (ছাঃ)য়ে সেই টকাৰ পৰা এমুঠি খুচুৰা পইচা উলিয়াই হজৰত বিলাল (ৰাঃ)ৰ হাতত দি অলপ সুগন্ধি কিনি আনিবলৈ কৈছিল আৰু কেইজনমানক হজৰত ফাতিমা (ৰাঃ)ৰ কাৰণে কেইটামান উপঢৌকন তৈয়াৰ কৰিবলৈ নিৰ্দেশ দিয়ে। সেই মতেই হজৰত ফাতিমা (ৰাঃ)ৰ বাবে এখন খাঁট আৰু খেজুৰৰ ছালৰ এটা গাৰু তৈয়াৰ কৰা হয়।

আন এটা ৰিৱায়তত উল্লেখ আছে যে আঁহজৰত (ছাঃ)য়ে হজৰত আলীৰ সৈতে এই বিবাহ সম্পন্ন কৰাৰ সময়ত কৈছিল যে মোৰ সৃষ্টিকৰ্তায় মোক এনেকুৱা কৰিবলৈ আদেশ দিছে। দৰা কইনাৰ বিদায় পৰত আঁহজৰত (ছাঃ)য়ে এখন বৰ্তনত পানী লৈ অজু কৰে আৰু বাকী বৈ যোৱা পানী খিনি হজৰত ফাতিমা (ৰাঃ) আৰু হজৰত আলী (ৰাঃ)ৰ ওপৰত **আল্লাহুম্মা বাৰিক ফিহিমা ওৱা বাৰিক আলায়হিমা ওৱা বাৰিক লাহুমা নাছলাহুমা** পাঠ কৰি ছটিয়াই দিয়ে। ইয়াৰ অৰ্থ হ'ল হে মোৰ আল্লাহ ! তুমি এই দুজনৰ পাৰস্পৰিক সম্পৰ্ক (বৈবাহিক সম্পৰ্ক) ত বৰকত দান কৰা আৰু এওঁলোকৰ সম্পৰ্কত সেই বৰকত দান কৰা যিয়ে বেলেগৰ সৈতে প্ৰতিষ্ঠিত থাকে আৰু এওঁলোকৰ বংশৰ ওপৰত বৰকত দান কৰা। এই দোৱা নৱ বিবাহিত দম্পতিৰ মাক বাপেকে দম্পতি হলৰ বাবে কৰা উচিত। বৰ্তমান জগতৰ পৰিৱেশ পৰিস্থিতিৰ কাৰণে বিয়াৰ পিছত ল'ৰা-ছোৱালীৰ মাজত বিভিন্ন সমস্যাৰ উদ্ভৱ হৈ থাকে। বৰ্তমানে এই সমস্যা আৰু বাঢ়ি গৈ আছে। যদি ধৰ্মক প্ৰাধান্য দিয়া হয় আৰু এনেদৰে দোৱা কৰা হয় আৰু মাক বাপেকে যদি এনে দায়িত্ব পালন কৰে তেন্তে সম্পৰ্ক ঠিক থাকিব পাৰে।

হজৰত আলী (ৰাঃ)ৰ বিয়াৰ পিছত হজৰত হাৰছা বিন নুমান আবছাৰি (ৰাঃ)য়ে উপযাঁতি নিজৰ এখন ঘৰ খালি কৰোৱাই হজৰত আলী (ৰাঃ) আৰু হজৰত ফাতিমা (ৰাঃ)ক তাত থকাৰ বাবে উপঢৌকন স্বৰূপে আগবঢ়াই দিছিল। হজৰত ফাতিমা (ৰাঃ)য়ে নবী কৰিম (ছাঃ)ৰ ওচৰত চাক্কি চলোৱাৰ বাবে হাতত কষ্ট পোৱাৰ কথা প্ৰকাশ কৰি এজন খাদিমৰ ব্যৱস্থা কৰি দিবলৈ আবেদন জনায় তেতিয়া আঁহজৰত (ছাঃ)য়ে হজৰত আলী (ৰাঃ) আৰু হজৰত ফাতিমা (ৰাঃ)ক কয় যে যেতিয়া তোমালোকে বিছনাত বাগৰ দিবা তেতিয়া ৩৪ বাৰ আল্লাহু আকবৰ পঢ়িবা ৩৩ বাৰ ছুবহানাল্লাহ আৰু ৩৩ বাৰ আলহামদুলিল্লাহ পঢ়িবা। এই অজিফা তোমালোক দুয়োৰ বাবে খাদিমতকৈ উত্তম। আঁহজৰত (ছাঃ)ৰ বাবে তেতিয়া ফাতিমা (ৰাঃ)ৰ বাবে খাদিমৰ ব্যৱস্থা কৰি দিয়াটো একো ডাঙৰ বিষয়

নাছিল। কিন্তু তাত লোকৰ সমালোচনা কৰাৰ স্থল আছিল কাৰণ ৰজায় হে এনে বস্তু নিজৰ বাবে জায়েজ বুলি ভাৱে গতিকে তেখেত (ছাঃ)য়ে বিতৰণ সাপেক্ষে পোৱা গোলাম বা দাসী হজৰত ফাতিমা (ৰাঃ)ক দিয়া নাছিল।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বাকী অংশ ইনশা আল্লাহ্ আগলৈ বৰ্ণনা কৰা হ'ব। এতিয়া মই আকৌ বিশ্বৰ উত্তাল পৰিস্থিতিৰ বাবে শান্তিকামী দোৱা কৰিবলৈ আহ্বান জনাইছো। বৰ্তমানে আমেৰিকাৰ কিছুমান পত্ৰকাৰকে খবৰত লিখিছে যে প্ৰতিশোধৰ এটা সীমা আছে। আমেৰিকা আৰু পশ্চিমীয়া দেশবোৰে হামাছ আৰু ইজৰাইলৰ যুদ্ধত ভূমিকা লোৱা উচিত; আৰু সন্ধিৰ ফালে টানি আনিবলৈ চেষ্টা কৰা উচিত। কিন্তু অনুমান হয় যে লিখোতায় এয়াও লিখে যে অনুমান হয় এওঁলোকে যুদ্ধ বন্ধ কৰাৰ সলনি যুদ্ধৰ উচটনি দিয়াত লাগি আছে। এনেদৰে আমেৰিকাৰ খবৰ আছিল যে বৈদেশিক মন্ত্ৰী বৰ্গৰ এজন ডাঙৰ অফিচাৰে এই বিষয়টো লৈ ইস্তিফা প্ৰদান কৰিছে যে এতিয়া চৰম সীমা পাইছে গৈ। পেলেষ্টাইনৰ নিস্পাপ নাগৰিক সকলৰ ওপৰত চৰম অত্যাচাৰ চলি আছে। ডাঙৰ ডাঙৰ শক্তিবিলাকে এই ফালে দৃষ্টি ৰখা উচিত। তেওঁলোকৰ মাজতও ন্যায় পৰায়ণ লোক আছে। এনেদৰে মাজে সময়ে মিডিয়াৰ জৰিয়তে জনা যায় যে কিছুমান ইহুদী পণ্ডিত সকলেও এই জুলুম অত্যাচাৰৰ বিৰুদ্ধে মাত মাতি আছে। ৰাচিয়াৰ বিদেশ মন্ত্ৰীয়ে সাক্ষাতকাৰত কয় যে যদি এনেদৰে এই দেশবোৰে নিজৰ আচৰণ বাহাল ৰাখে তেন্তে এই যুদ্ধই গোটেই অঞ্চলত বিয়পি পৰিব বৰং মই ভাৱো যে গোটেই বিশ্বত বিয়পি পৰিব। গতিকে তেওঁলোকে সাৰধান হোৱা উচিত। এনেদৰে মুছলমান দেশবোৰে যেনেকৈ মই আগতেও কৈছো ঐক্যবদ্ধ হৈ মাত মাতিব লাগিব। যদি গোটেই বিশ্ৰ ৫৩/৫৪ খন মুছলিম দেশে ঐক্যবদ্ধ হৈ উঠে তেন্তে এয়া এটা মহাশক্তি গঠন হ'ব। আৰু ইয়াৰ প্ৰভাৱও পৰিব। নহলে ভঙা ছিঙা এখন দুখনৰ মাতে একো প্ৰভাৱ পেলাব নোৱাৰে। আৰু এয়াই হ'ল বিশ্বত শান্তি প্ৰতিষ্ঠাৰ একমাত্ৰ উপায় আৰু তেতিয়া যুদ্ধৰও অন্ত পৰিব। গতিকে মুছলিম দেশবোৰে বিশ্বখনক ধ্বংসৰ প্ৰাসৰ পৰা ৰক্ষা কৰিবলৈ এক প্ৰধান ভূমিকা ল'ব লাগিব। আল্লাহ্ তা'লা তেওঁলোকক এই উদ্দেশ্য সফল কৰিবলৈ তৌফিক দান কৰক। কিন্তু আমি দোৱাৰ ওপৰত বেছি জোৰ দিব লাগিব। আল্লাহ্ তা'লা এই যুদ্ধৰ অন্ত পেলাই নিস্পাপ,নিপীড়িত পেলেষ্টাইন সকলক নিৰাপত্তা দান কৰক। তেওঁলোকৰ ওপৰত আৰু যেন অত্যাচাৰ উৎপীড়ন নহয়। অত্যাচাৰ জগতৰ পৰা বিলীন কৰক। আল্লাহ্ তা'লা আমাক দোৱা কৰাৰ তৌফিক দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰه رحمكم اللّٰه اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 20 October 2023

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844